**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 22-06-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি মধ্যপ্ৰদেশৰ শ্বেওপুৰ জিলাৰ কুনো ৰাষ্ট্ৰীয় উদ্যান পৰিদৰ্শন কৰিব।

২। শক্তিপীঠ কামাখ্যা দেৱালয়ত আজি নিশা ৯ বাজি ৮ মিনিট ৪২ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হ'ব।

৩। নতুন দিল্লীত আজিৰে পৰা দুদিনীয়াকৈ ব্ৰিকছৰ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টাসকলৰ বৈঠক অনুষ্ঠিত হ'ব।

৪। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই অনুষ্ঠিত কৰা ইউ জি চি নেট ২০২৬ পৰীক্ষা আজি আৰম্ভ হ'ব। ***আৰু***

৫। ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ গ্ৰুপ-জিৰ এখন খেলত ইজিপ্তৰ বিৰুদ্ধে নিউজিলেণ্ড ১-০ গ'লত আগবাঢ়ি আছে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি মধ্যপ্ৰদেশৰ শ্বেওপুৰ জিলাৰ কুনো ৰাষ্ট্ৰীয় উদ্যান পৰিদৰ্শন কৰিব। এই ভ্ৰমণৰ সময়ত তেওঁ পুৱা ৮ বজালৈ উদ্যানখনত ছাফাৰী কৰি চিতাবাঘৰ পুনৰ প্ৰৱৰ্তন প্ৰকল্পৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰিব। তেওঁ লগতে চিতা, মিত্ৰ, স্থানীয় বন কৰ্মচাৰী আৰু পৰ্যটক গাইড হিচাপে অভিজ্ঞতা থকা আৰু এই প্ৰকল্পৰ অধীনত কাম কৰা ছহৰীয়া জনগোষ্ঠীৰ সদস্যসকলৰ সৈতেও মত বিনিময় কৰিব। এই কাৰ্যসূচীৰ পাছত ৰাষ্ট্ৰপতিগৰাকীয়ে শ্বেওপুৰৰ পৰা গোৱালিয়ৰলৈ ৰাওনা হ'ব আৰু পাছত ভাৰতীয় বায়ুসেনাৰ বিশেষ বিমানেৰে দিল্লীলৈ উভতি যাব।

ইয়াৰ পূৰ্বে কালি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুক কুনো ৰাষ্ট্ৰীয় উদ্যানত মধ্য প্ৰদেশৰ ৰাজ্যপাল মংগুভাই পেটেল, সংসদৰ সদস্য শিৱমংগল সিং টোমাৰ আৰু বিন বিভাগৰ জ্যেষ্ঠ বিষয়াসকলে আদৰণি জনায়। ৰাষ্ট্ৰপতিগৰাকীয়ে চিতা কামাণ্ড এণ্ড কণ্ট্ৰল চেণ্টাৰ পৰিদৰ্শন কৰি চিতা প্ৰকল্পৰ এখন প্ৰদৰ্শনীত অংশগ্ৰহণ কৰে। বিষয়াসকলে জনাই যে ভাৰতত বৰ্তমান ৫২টা চিতাবাঘ আছে আৰু ইয়াৰে ৪৯টা কুনো ৰাষ্ট্ৰীয় উদ্যানত থকাৰ বিপৰীতে তিনিটা বাঘক গান্ধীসাগৰ বন্যপ্ৰাণী অভয়াৰণ্যলৈ স্থানান্তৰ কৰা হৈছে। জীৱ-জন্তুৰ বাবে থকা নিৰীক্ষণ আৰু অনুসৰণ ব্যৱস্থাৰ বিষয়েও কালি ৰাষ্ট্ৰপতিগৰাকীক অৱগত কৰোৱা হয়। বিষয়াসকলে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুক জনাই যে চিতাবাঘবোৰৰ বাবে বনাঞ্চলৰ ভিতৰত প্ৰতি ২ কিলোমিটাৰৰ মূৰে মূৰে পানীযোগান ব্যৱস্থা গঢ়ি তোলা হৈছে। বটছ্ৱানা আৰু নামিবিয়াৰ পৰা চিতাৰ কাৰ্যকলাপ আৰু অভিযোজন প্ৰক্ৰিয়াৰ বিষয়েও ৰাষ্ট্ৰপতিগৰাকীক অৱগত কৰোৱা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২২ চনত তেওঁৰ জন্মদিনত নামিবিয়াৰ পৰা ৮টা চিতাবাঘ কুনো ৰাষ্ট্ৰীয় উদ্যানত মুকলি কৰি ভাৰতৰ অভিলাষী চিতা পুনৰ প্ৰৱৰ্তন প্ৰকল্পৰ শুভাৰম্ভণি কৰিছিল। পাছলৈ দক্ষিণ আফ্ৰিকা আৰু বটছ্ৱানাৰ পৰা আৰু অধিক চিতা ভাৰতলৈ অনা হৈছিল। উল্লেখযোগ্য যে সংৰক্ষণ আৰু প্ৰজননৰ প্ৰচেষ্টাৰ বাবে কুনো ৰাষ্ট্ৰীয় উদ্যানত ক্ৰমাগতভাৱে চিতাবাঘৰ সংখ্যা বৃদ্ধি পাইছে।

০০০০০

শক্তিপীঠ কামাখ্যা দেৱালয়ত আজিৰে পৰা অম্বুবাচী মেলা অনুষ্ঠিত হ'ব। দেৱালয়ৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে আজি নিশা ৯ বাজি ৮ মিনিট ৪২ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হ'ব। প্ৰবৃত্তিৰ লগে লগে কামাখ্যা মন্দিৰ দুৱাৰ ভক্তৰ বাবে বন্ধ কৰি দিয়া হ'ব। ২৩, ২৪ আৰু ২৫ জুনত কামাখ্যা মন্দিৰৰ দুৱাৰ সম্পূৰ্ণভাৱে বন্ধ থাকিব। ২৬ জুনৰ পুৱা অম্বুবাচীৰ নিবৃত্তিৰ পাছত মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰি দিয়া হ'ব। প্ৰতিবছৰৰ দৰে এইবাৰো অম্বুবাচী মেলা উপলক্ষে অসমত দেশ-বিদেশৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা অহা সাধু-সন্যাসী তথা ভক্তপ্ৰাণ ৰাইজৰ সমাগম ঘটা পৰিলক্ষিত হৈছে।

গুৱাহাটী পৌৰ নিগমে অম্বুবাচী উপলক্ষে অহা ভক্তৰ ভিৰ নিয়ন্ত্ৰণৰ লগতে খোৱাপানী, পোহৰ আৰু চাফচিকুণতাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। স্বেচ্ছাসেৱী সংস্থাসমূহেও ভক্তিপ্ৰাণ ৰাইজক সেৱা আগবঢ়োৱাৰ লগতে মেলাৰ চাফচিকুণতা নিশ্চিত কৰাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। এই সন্দৰ্ভত স্বেচ্ছাসেৱী সংগঠনৰ এগৰাকী বিষয়ববীয়াই এইদৰে কয়-

(বাইট)

০০০০০

নতুন দিল্লীত আজিৰে পৰা দুদিনীয়াকৈ ব্ৰিকছৰ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টাসকলৰ বৈঠক অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভালে ব্ৰিকছৰ ১১ খন সদস্য ৰাষ্ট্ৰৰ নিৰাপত্তাৰক্ষী মুৰববীসকলক একত্ৰিত কৰা এই সমাৰেশত সভাপতিত্ব কৰিব। ইয়াৰ ভিৰত ভাৰত, ব্ৰাজিল, চীন, ইজিপ্ত, ইথিউপিয়া, ইণ্ডোনেছিয়া, ইৰান, ৰাছিয়া, ছৌদি আৰব, দক্ষিণ আফ্ৰিকা আৰু সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰ আছে। এই সমাৰেশত **অগতানুগতিক নিৰাপত্তাজনিত প্ৰত্যাহ্বান** শীৰ্ষক বিষয়বস্তুৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব। সদস্য ৰাষ্ট্ৰৰ প্ৰতিনিধিসমূহে চাইবাৰ সুৰক্ষা, কৃত্ৰিম বুদ্ধিমত্তাৰ দ্বাৰা পৰিচালিত প্ৰত্যাহ্বানসমূহ পৰীক্ষা কৰে।

০০০০০

২০২৬ বৰ্ষৰ আন্তৰ্জাতিক যোগ দিৱস বিশ্বব্যাপী সফলতাৰে উদযাপন কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশ্বৰ সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে যোগে সকলো শ্ৰেণীৰ লোকক একত্ৰিত কৰি সুস্থতা আৰু সুস্বাস্থ্যৰ সাধনাত উল্লেখনীয় বৰঙণি আগবঢ়ায়। এই দিনটোৱে অধিক লোকক যোগক দৈনন্দিন জীৱনৰ অংশ হিচাপে গঢ়ি তুলিবলৈ অনুপ্ৰাণিত কৰিব বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০০

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই অনুষ্ঠিত কৰা UGC NET ২০২৬ পৰীক্ষা আজিৰে পৰা আৰম্ভ হ'ব। ৰাষ্ট্ৰীয় পৰ্যায়ৰ এই যোগ্যতা নিৰূপণ পৰীক্ষা চলিত মাহৰ ৩০ তাৰিখলৈকে কম্পিউটাৰ ভিত্তিক অৰ্থাৎ চিবিটি মোডত প্ৰতিদিনে পুৱা আৰু আবেলি অনুষ্ঠিত কৰা হ'ব বুলি সংস্থাই জানিবলৈ দিছে। জুনিয়ৰ ৰিচাৰ্চ ফেল'শ্বিপ, সহকাৰী অধ্যাপকৰ পদ আৰু পি এইচ ডি পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে যোগ্যতা অৰ্জন কৰিবলৈ আগ্ৰহী প্ৰাৰ্থীৰ বাবে ইউ জি চি নেট পৰীক্ষা অনুষ্ঠিত কৰা হয়। সংস্থাই পৰীক্ষাৰ্থীসকলক এডমিট কাৰ্ড ডাউনলোড কৰি সযতনে পৰীক্ষা কৰিবলৈ পৰামৰ্শ দিছে। পৰীক্ষাৰ্থীসকলক তাৰিখ, সময় আৰু নিৰ্ধাৰিত কেন্দ্ৰ পৰীক্ষা কৰি লবলৈ আহ্বান জনোৱা হৈছে। তদুপৰি বিশেষভাৱে সক্ষম পৰীক্ষাৰ্থীসকলক আগতীয়াকৈ কেন্দ্ৰসমূহ ভ্ৰমণ কৰি স্থান আৰু সুবিধাসমূহৰ সৈতে পৰিচিত হৈ ল'বলৈ পৰামৰ্শ দিয়া হৈছে।

০০০০০

২০২৬ বৰ্ষৰ চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ পুনৰ পৰীক্ষা- নীট ইউ জি কালি কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজত সফলতাৰে সম্পন্ন হয়। দেশৰ ৫৫১খন মহানগৰ তথা বিদেশৰ ১৪খন মহানগৰত অনুষ্ঠিত এই পৰীক্ষাত ২২ লাখ ৭৯ হাজাৰতকৈও অধিক প্ৰাৰ্থী অৱতীৰ্ণ হয়। উল্লেখযোগ্য যে দিনৰ ২ বজাত আৰম্ভ হৈ সন্ধিয়া ৫ বাজি ১৫ মিনিটত অন্ত পৰা এই পৰীক্ষা আৰু আন ১২টা ভাষাত অনুষ্ঠিত হয়। এই পৰীক্ষা সুকলমে, সুৰক্ষিত তথা নিকাভাৱে অনুষ্ঠিত কৰাৰ উদ্দেশ্যে পৰ্যবেক্ষক, সমন্বয়ক, আৰক্ষী বিষয়া, প্ৰশাসনীয় কৰ্মচাৰীকে ধৰি ২ লাখতকৈও অধিক বিষয়া-কৰ্মচাৰী নিয়োগ কৰা হয়। চিচি টিভিৰ জৰিয়তে পৰ্যবেক্ষণ আধাৰভিত্তিক বায়'মেট্ৰিক সত্যাপন, পৰীক্ষা সম্পৰ্কীয় বয়বস্তু সৰবৰাহৰ বাবে আৰক্ষীৰ বিশেষ সুৰক্ষাসহ জি পি এছ সংলগ্ন বাহনকে ধৰি কেইবা তৰপীয়া সুৰক্ষা আন্তঃগাঁথনিৰ মাজেৰে অনুষ্ঠিত কৰা হয়। ইয়াৰ উপৰি এন টি এয়ে কোনো ভুল তথ্য প্ৰকাশৰ লগতে অবাঞ্চিত বাতৰি প্ৰকাশ কৰাৰ পৰা বিৰত ৰাখিবলৈ সামাজিক মাধ্যমৰ গতিবিধিৰ ওপৰত বিশেষ দৃষ্টি ৰাখে।

০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে  তামিলনাডুৰ তিৰুৱল্লুৰত হোৱা এমনিয়া গেছ নিৰ্গমনৰ ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ বাবে শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীগৰাকীয়ে শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে চিকিৎসাধীন হৈ থকা আহতসকলৰ আশু আৰোগ্য লাভৰ বাবে প্ৰাৰ্থনা জনায়।

উল্লেখযোগ্য যে তামিলনাডুৰ পেৰিয়া পালায়ামত কালি এটা সাগৰীয় খাদ্য ৰপ্তানি কৰা প্ৰতিষ্ঠানত হোৱা এম'নিয়া গেছ নিৰ্গমনৰ ঘটনাত ৭ গৰাকী লোক নিহত হোৱাৰ লগতে ৭০ গৰাকীতকৈও অধিক কৰ্মচাৰী গুৰুতৰভাৱে আক্ৰান্ত হৈছে। প্ৰাথমিক প্ৰতিবেদনত প্ৰকাশ কৰা অনুসৰি উদ্ধাৰ অভিযান তথা চিকিৎসা সেৱা অব্যাহত থকাৰ পৰিপ্ৰেক্ষিতত নিহত লোকৰ সংখ্যা বৃদ্ধি হোৱাৰ আশংকা আছে। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ লগতে ৰাসায়নিক, জৈৱিক তথা পাৰমাণৱিক বিশেষ সঁহাৰি বাহিনীয়ে ক্ষীপ্ৰতাৰে উদ্ধাৰ অভিযান চলোৱাৰ লগতে নিৰ্গমন ৰোধ কৰাৰ প্ৰচেষ্টা চলাইছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী চি যোচেফ বিজয়ে ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্তৰ নিৰ্দেশ দিয়াৰ লগতে ২৪ ঘণ্টাৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিবলৈ তিনিজনীয়া কমিটী এখনক নিৰ্দেশ দিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে নিহতসকলৰ পৰিয়াললৈ ২ লাখ টকাকৈ এককালীন সাহায্য আগবঢ়োৱা হ'ব বুলি ঘোষণা কৰিছে।

০০০০০

টি-২০ বিশ্বকাপ মহিলা ক্ৰিকেট প্ৰতিযোগীতাত যোৱা নিশা মানচেষ্টাৰত অনুষ্ঠিত গ্ৰুপ এ পৰ্যায়ৰ এখন মেচত দক্ষিণ আফ্ৰিকাই ভাৰতক ৬ উইকেটত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি ভাৰতে ১৫৯ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছিল যদিও দক্ষিণ আফ্ৰিকাই ৫টা বল বাকী থকা অৱস্থাত চাৰিটা উইকেটৰ বিনিময়ত ১৬১ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ তাজমিন ব্ৰিটছে ৪০ ৰান সংগ্ৰহ কৰে আৰু মেৰিজানে কাপ্পে ৮১ৰাণ কৰি আউট নোহোৱাকৈ থাকে। ভাৰতৰ হৈ শ্ৰী চৰণীয়ে ৩টা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ভাৰতে টছত জয়লাভ কৰি প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লৈছিল আৰু নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৫৮ ৰান সংগ্ৰহ কৰিছিল। ভাৰতৰ হৈ ছাফালী বাৰ্মাই সৰ্বাধিক ৩১ ৰান সংগ্ৰহ কৰে । দক্ষিণ আফ্ৰিকাৰ হৈ মাৰিজান কাপ আৰু শ্বাবনিম ইছমাইলে দুটাকৈ উইকেট দখল কৰে। মাৰিজান কাপ্পক খেলখনৰ শ্ৰেষ্ঠ

খেলুৱৈ হিচাপে নিৰ্বাচিত কৰা হয়। মাৰিজান কেপ। উল্লেখযোগ্য যে এই মেচখনৰ পাছতেই ভাৰতীয় দলটোৰ অধিনায়ক হৰমনপ্ৰীত কৌৰে ২০০ খন টি-২০ আন্তঃৰাষ্ট্ৰীয় খেল খেলা প্ৰথমজন ক্ৰিকেটাৰ হিচাপে পৰিগণিত হয়।

০০০০০

ফিফা বিশ্বকাপ ২০২৬ত ফ্ল'ৰিডাত কেপ ভাৰ্দে আৰু উৰুগুৱেৰ মাজত অনুষ্ঠিত গ্ৰুপ এইচ পৰ্যায়ৰ এখন মেচ ২-২ গ'লত ড্ৰ' হয়। কেপ ভাৰ্দেৰ হৈ খেলখনৰ ২১ মিনিটত কেভিন পিনাৰে দেশখনৰ হৈ প্ৰথমটো বিশ্বকাপ গ'ল দিয়ে। প্ৰত্যুত্তৰত উৰুগুৱেৰ হৈ মেক্সি আৰাউজো আৰু অগষ্টিন কানোবিঅ' এ দুটা গ'ল দি অগ্ৰগতি লাভ কৰে। অৱশ্যে কেপ ভাৰ্দেৰ হৈ হেলডাৰ ভাৰেলাৰে দিয়া আন এটা গলৰ জৰিয়তে দুয়োটা দলে সমতা স্থাপন কৰে। এই ফলাফলৰ পাছত দুয়োটা দলে দুই পইণ্ট লাভ কৰি গ্ৰুপ এইচ পৰ্যায়ৰ মেচসমূহৰ অন্তিম ৰাউণ্ডলৈ যাবলৈ সক্ষম হৈছে। ইয়াৰ পূৰ্বে কালি নিশা কেলিফৰ্ণিয়াত ইৰাণ আৰু বেলজিয়ামৰ মাজত অনুষ্ঠিত গ্ৰুপ জিৰ এখন খেল গ'লবিহীনভাৱে ড্ৰ' হৈছিল। ইয়াৰ পূৰ্বে আটলাণ্টাত অনুষ্ঠিত গ্ৰুপ এইচ পৰ্যায়ৰ আন এখন খেলত ছৌদি আৰৱে ৪-০ গ'লত স্পেইনক পৰাজিত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰিছিল। আজি পুৱা ৬:৩০ বজাত আৰম্ভ হোৱা গ্ৰুপ জিৰ এখন মেচত নিউজিলেণ্ড ইজিপ্তৰ মুখামুখি হৈছে। বাতৰি যুগুতোৱাৰ পৰলৈকে নিউজিলেণ্ড ১-০ গলত আগবাঢ়ি আছে। আজি নিশা চাৰে দহ বজাত আৰম্ভ হ'বলগীয়া গ্ৰুপ জেৰ এখন খেলত আৰ্জেণ্টিনাই অষ্ট্ৰিয়াৰ বিৰুদ্ধে খেলিব।

০০০০০

সমাপ্ত